জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৪৫/২০২০

# মৈত্ৰী আঁচনিৰ অধীনত ধুবুৰী সদৰ আৰক্ষী থানা আৰু গোলকগঞ্জ আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## আৰক্ষীৰ মানসিকতাৰ সলনিৰ সমান্তৰালভাৱে আজি অসমত আৰক্ষীৰ প্ৰতিও ৰাইজৰ মনোভাৱৰ পৰিৱৰ্তন হৈছে ঃ মুখ্যমন্ত্ৰী

## সীমান্তৰে যাতে কোনো বিদেশী নাগৰিকৰ প্ৰৱেশ হ'ব নোৱাৰে তাৰ বাবে সীমান্তৱৰ্তী এলেকাৰ ৰাইজক জাগ্ৰত প্ৰহৰীৰ ভূমিকা পালন কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৭ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দায়িত্বশীল ভাৱমূৰ্তিৰ বাবে থানাসমূহৰ সৰ্বাংগীন উন্নয়ন অভিযান (মৈত্ৰী) আঁচনিৰ অধীনত ধুবুৰী জিলাৰ ধুবুৰী সদৰ আৰক্ষী থানা আৰু গোলকগঞ্জ আৰক্ষী থানাৰ নৱ নিৰ্মিত ভৱন দুটি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। ১৯০৬ চনতে স্থাপিত ধুবুৰী আৰক্ষী থানা আৰু ১৯০৭ চনত স্থাপিত গোলকগঞ্জ আৰক্ষী থানাৰ ভৱন উন্মোচন উপলক্ষে থানা দুখনৰ চৌহদত অনুষ্টুপীয়াকৈ আয়োজিত উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'স্মাৰ্ট পুলিচ'ৰ ধাৰণাৰে অনুপ্ৰাণিত হৈ বৰ্তমানৰ ৰাজ্য চৰকাৰখনে আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ ব্যৱধান হ্ৰাস কৰি আৰক্ষী বাহিনীক জনতাৰ বন্ধু হিচাপে গঢ়ি তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস কৰি আহিছে। আৰক্ষীৰ মানসিকতাৰ সলনিৰ সমান্তৰালভাৱে আজি অসমত আৰক্ষীৰ প্ৰতি ৰাইজৰ মনোভাৱৰ পৰিৱৰ্তন হৈছে। ৰাইজে বিপদৰ সময়ত আৰক্ষীৰ কাষ চাপিবলৈ সংকোচ নকৰা হৈছে, সেয়েহে ৰাজ্যৰ থানাসমূহত ৰুজু হোৱা গোচৰৰ সংখ্যা পূৰ্বতকৈ যথেষ্ট বৃদ্ধি পাইছে। তেওঁ লগতে কয় যে সমগ্ৰ দেশৰ ভিতৰতে অসমেই প্ৰথমখন ৰাজ্য যি এখন সুকীয়া আঁচনিৰ জৰিয়তে আৰক্ষী থানাসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলত আজি অসম পুলিচে দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ আৰু সক্ৰিয় আৰক্ষী বাহিনীৰূপে পৰিগণিত হ'বলৈ সক্ষম হৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা প্ৰদানেৰে তেওঁলোকক সুৰক্ষিত অনুভৱ কৰোৱা আৰু তাৰ জৰিয়তে এক শক্তিশালী গণতান্ত্ৰিক বাতাবৰণ অটুট ৰখাৰ বাবে আৰক্ষী বাহিনীয়ে দিনে-নিশাই কাম কৰিব লাগিব। আৰক্ষীৰ পোছাক জোৰৰ পৱিত্ৰতা অটুট ৰাখিবৰ বাবে আৰক্ষীয়ে প্ৰতি মুহূৰ্ততে সচেষ্ট থাকিব লাগিব। আৰক্ষীসকল এহাতে যেনেকৈ সৰ্বসাধাৰণৰ বন্ধু হিচাপে পৰিচিত হ'ব লাগিব, তেনেদৰে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধৰ বাবেও সমানে কঠোৰতাৰ পৰিচয় দিব লাগিব।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আইন- শৃংখলা ৰক্ষাৰ সমান্তৰালভাৱে ক'ভিড-১৯ সৃষ্ট সাম্প্ৰতিক পৰিস্থিতি আৰু বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত আৰক্ষী সঞ্চালক প্ৰধানৰ নেতৃত্বত অসম আৰক্ষীৰ ৭০ হাজাৰ বিষয়া-কৰ্মচাৰীয়ে যি কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছে তাক অসমৰ ৰাইজে সদায়ে মনত ৰাখিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সৱকা সাথ, সৱকা বিকাশ আৰু সৱকা বিশ্বাস' নীতিৰ দ্বাৰা পৰিচালিত হৈ বৰ্তমানৰ ৰাজ্য চৰকাৰৰ দিনত অসমৰ ৩৩ খন জিলাই উন্নয়ন আৰু প্ৰগতিৰ দিশত চৰকাৰৰ পৰা সম-মৰ্যাদা লাভ কৰিছে। আজি ধুবুৰীৰ দৰে সীমামূৰীয়া জিলাখনৰো প্ৰতিটো অঞ্চলৰ ৰাইজে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জন কল্যাণকামী আঁচনিসমূহৰ সুফল লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমানৰ চৰকাৰে ধুবুৰী আৰু ফুলবাৰীৰ মাজত এছিয়াৰ ভিতৰতে দীৰ্ঘতম দলং নিৰ্মাণৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে যি জিলাখনৰ যাতায়ত তথা যোগাযোগ ব্যৱস্থালৈ এক যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব। অসমক অবৈধ বিদেশীৰ আগ্ৰাসনৰ পৰা মুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰাৰ বাবে তথা সীমান্তৰ স্পৰ্শকাতৰ নদীপথসমূহো উপযুক্ত প্ৰযুক্তিৰ জৰিয়তে চোকা নিৰীক্ষণৰ ব্যৱস্থা কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। সীমান্তৰে যাতে কোনো বিদেশী নাগৰিকে অবৈধভাৱে আমাৰ দেশত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে সীমান্তৱৰ্তী এলেকাৰ ৰাইজক জাগ্ৰত প্ৰহৰীৰ ভূমিকা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

দুয়োখন উদ্বোধনী সভাতে ভাষণ প্ৰদান কৰি ধুবুৰী জিলাৰ সামগ্ৰিক দায়িত্বত থকা ৰাজ্যৰ সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্মই ৰাজ্যৰ আৰক্ষী বাহিনীক নতুনৰূপ প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। সভাত অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান হৰমিৎ সিঙেও ভাষণ প্ৰদান কৰে।

ধুবুৰী আৰু গোলকগঞ্জ আৰক্ষী থানাৰ চৌহদত আয়োজিত এই দুয়োখন সভাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ধুবুৰী সমষ্টিৰ বিধায়ক নজৰুল হক, পূব বিলাসীপাৰা সমষ্টিৰ বিধায়ক অশোক কুমাৰ সিংহী, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল, অসম আৰক্ষী গৃহ নিৰ্মাণ পৰিষদৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, ধুবুৰী জিলাৰ উপায়ুক্ত অনন্ত লাল গিয়ানী, আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰকে ধৰি আৰক্ষী বিভাগৰ জ্যেষ্ঠ বিষয়ববীয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ/**
**১৭/০৮/২০২০**